**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

————————————————

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মানৱতা আৰু সমন্বয়ৰ বাৰ্তাৰে বিশ্বৰ বুকুত সাঁচ ৰাখি থৈ যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি শদিয়াৰ পৰা ধুবুৰীলৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্মশতবাৰ্ষিকীৰ উদ্বোধন কৰা হ'ব। আজি পুৱা ৯ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি পুৱা জালুকবাৰী ভূপেন হাজৰিকা সমাধিক্ষেত্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকাই এই সমদল মুকলি কৰে। শিল্পীগৰাকীৰ জীৱনক লৈ নিৰ্মাণ কৰা 'ভূপেন দা আনকাট' নামৰ এখন তথ্যচিত্ৰ কালি গুৱাহাটীৰ অনুৰাধা চিত্ৰগৃহত প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত শিল্পীগৰাকীৰ পুত্ৰ তেজ হাজৰিকাৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত আজি দিনৰ ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাজ্যৰ প্ৰতিখন জিলাৰ মহাবিদ্যালয়সমূহৰ পৰা বাছনি কৰা শ্ৰেষ্ঠ কণ্ঠশিল্পী, বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীকে ধৰি সমবেত ৰাইজে 'মানুহে মানুহৰ বাবে' গীতটি পৰিৱেশন কৰিব। সন্ধিয়াৰ ভাগত শিল্পীগৰাকীৰ স্মৃতিত ১০০ গচি বন্তি প্ৰজ্বলন কৰা হ'ব। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি সদৌ অসম ছাত্ৰ সন্থাই এখন স্মাৰক গ্ৰন্থও প্ৰকাশ কৰিব।

অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কোকৰাঝাৰ জিলা আৰু মাজুলী জিলা সমিতিয়ে আবৃত্তি কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ কৰে। মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত কেইবাশতাধিক আবৃত্তিকাৰে ড° অমৰজ্যোতি চৌধুৰীৰ কবিতা মৃত্যু জিনাৰ গান আবৃত্তি কৰে। কোকৰাঝাৰৰ সুধাকণ্ঠ কাননত ৩২গৰাকী আবৃত্তিকাৰে শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত আবৃত্তি কৰি শ্ৰদ্ধা নিবেদন কৰে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিমৌ সমজিলা প্ৰশাসনৰ সহযোগত ডিমৌ জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পত আজি পুৱা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব।

ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত অনুষ্ঠিত  কৰ্মযোগী অভিযানৰ তিনিদিনীয়া জিলা পৰ্যায়ৰ প্ৰছেছ লেবৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই মাষ্টাৰ ট্ৰেইনাৰসকলৰ উপস্থিতিত সকলো ব্লক পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰক উদ্দেশি ভাষণ দিয়ে। তেওঁ জনজাতীয় লোকসকলৰ সৰ্বাংগীন উত্তৰণৰ ক্ষেত্ৰত নিয়োজিত হ'বলৈ আহ্বান জনায়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক তথা জিলা মাষ্টাৰ ট্ৰেইনাৰ অনিন্দ ভূঞাই আঁত ধৰা অনুষ্ঠানটোত উপস্থিত সকলোকে শপতবাক্য পাঠ কৰোৱায়।

০০০০০০

বিশ্বনাথ জিলাৰ বিহালী চাহ বাগিচা ক্ৰীড়া সন্থাৰ উদ্যোগত বেদেটিত যোৱা ৩১ আগষ্টৰ পৰা অনুষ্ঠিত চতুৰ্থ বাৰ্ষিক ছহিদ বীৰ বীৰছা মুণ্ডা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। চূড়ান্ত খেলখনত ডিমা হাচাও জিলাৰ মাহুৰ টাউন ক্লাবে মণিপুৰৰ পি এল এল একাডেমীক পৰাজিত কৰি চূড়ান্ত বিজয়ী হয়। প্ৰায় পাঁচ সহস্ৰাধিক দৰ্শকে উপভোগ কৰা চূড়ান্ত খেলখন নিৰ্ধাৰিত সময়ত অমিমাংসীত হৈ ৰোৱাত খেল পৰিচালকে টাইব্ৰেকাৰৰ সহায় লয়। টাইব্ৰেকাৰত মাহুৰ টাউন ক্লাবে মণিপুৰ পি এল এল একাডেমীক ৩-২ গলৰ ব্যৱধানত পৰাজিত কৰি চূড়ান্ত বিজয়ী হয়। বঁটা বিতৰণি অনুষ্ঠানত বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল প্ৰমুখ্যে কেইবাগৰাকীও সমাজকৰ্মী, ক্ৰীড়া সংগঠক তথা প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে।

০০০০০০

লখিমপুৰৰ জিকমিক পায়েল শইকীয়া ভাৰতীয় বায়ু সেনাৰ ফ্লাইং অফিচাৰ হিচাপে নিযুক্তি লাভ কৰিছে। ২৪ বছৰীয়া জিকমিক পায়েলৰ এই সফলতাত জিলাখনত আনন্দময় পৰিৱেশৰ সৃষ্টি হৈছে। তেওঁ লখিমপুৰ বগীনদী আদৰ্শ হাস্পতালৰ উপ-অধীক্ষক ডাঃ ভূপেন শইকীয়াৰ কন্যা।

০০০০০০

সমাপ্ত